**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-12-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১। প্ৰধানমন্ত্ৰীৰ বিৰুদ্ধে কংগ্ৰেছৰ নেতাসকলে কৰা বিৰূপ মন্তব্যৰ বিৰুদ্ধে এন ডি এৰ সাংসদসকলে কৰা প্ৰতিবাদৰ ফলত সংসদৰ উভয় সদনৰ কাম-কাজ ব্যাহত হয়।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ত্ৰিদেশীয় ভ্ৰমণসূচীৰে আজি জৰ্ডান, ইথিওপিয়া আৰু ওমানলৈ ৰাওনা হৈছে।

৩। লৌহ পুৰুষ চৰ্দাৰ বল্লভ ভাই পেটেলৰ ৭৫ সংখ্যক মৃত্যু বাৰ্ষিকী উপলক্ষে আজি দেশৰ বিভিন্ন প্ৰান্তত শ্ৰদ্ধা নিবেদন কৰা হৈছে।

৪। দি আছাম ট্ৰিবিউন কাকতৰ সম্পাদক, ট্ৰিবিউন গোষ্ঠীৰ অধ্যক্ষ তথা বৰ্ষীয়ান সাংবাদিক প্ৰফুল্ল গোবিন্দ বৰুৱাৰ বিয়োগত প্ৰধানমন্ত্ৰীয়ে গভীৰ শোক প্ৰকাশ কৰিছে।

*আৰু*

৫। ভাৰতীয় স্কোৱাচ খেলুৱৈৰ দলটোৱে ইতিহাস সৃষ্টি কৰি স্কোৱাচ বিশ্বকাপৰ খিতাপ দখল কৰিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিৰুদ্ধে কংগ্ৰেছৰ নেতাসকলে কৰা বিৰূপ মন্তব্যৰ বাবে ক্ষমা বিচৰাৰ দাবী জনাই এন ডি এৰ সাংসদসকলে সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আজি সংসদৰ দুয়োখন সদনৰ কাম-কাজ ব্যাহত হয়। প্ৰথমে দুয়োখন সদন দুপৰীয়া ১২ বজালৈ স্থগিত ৰখা হয়। ইয়াৰ পূৰ্বে লোকসভাত পুৱাৰ ভাগত সদন মিলিত হোৱাৰ সময়ত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে বিষয়টো সদনত উত্থাপন কৰে। শ্ৰী ৰিজিজুৱে নতুন দিল্লীত কালি কংগ্ৰেছৰ সমদলত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিৰুদ্ধে বিৰূপ মন্তব্য কৰাৰ বিষয়টো গৰিহণা দিয়ে। এনেধৰণৰ মন্তব্য গ্ৰহণযোগ্য নহয় বুলি উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই কাৰ্যক লজ্জাজনক আৰু দুৰ্ভাগ্যজনক বুলি অভিহিত কৰে। তেওঁ কয়, যে কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে আৰু দলৰ নেতা ৰাহুল গান্ধীয়ে এই বিষয়টোৰ বাবে লোকসভা আৰু ৰাজ্যসভাত ক্ষমা বিচৰা উচিত।

বাইট (ৰিজিজু)

সাংবাদিকৰ আগত শ্ৰী ৰিজিজুৱে কয়, যে বিজেপি আৰু এন ডি এই কোনো ব্যক্তিকে কেতিয়াও অসন্মান কৰা নাই নাইবা জীৱনৰ ভাবুকি দিয়া নাই। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সদায়ে দলৰ সদস্যসকলক বিৰোধী দলৰ প্ৰতিজন সদস্যক শত্ৰু নহয়, বৰং ৰাজনৈতিক প্ৰতিপক্ষ হিচাপে গণ্য কৰিবলৈ পৰামৰ্শ দি আহিছে বুলি তেওঁ উল্লেখ কৰে।

এন ডি এৰ সাংসদসকলে বিষয়টো লৈ হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি কৰাত অধ্যক্ষ ওম বিৰলাই সদনৰ কাৰ্যক্ৰমণিকা দুপৰীয়া ১২ বজালৈ স্থগিত ঘোষণা কৰে। ইয়াৰ পূৰ্বে লোকসভাত সদনৰ প্ৰাক্তন সদস্য প্ৰয়াত সুভাষ অহোজা, প্ৰফেছৰ চালাহুদ্দিন আৰু বালকৃষ্ণ চাওহাৰ প্ৰতি শ্ৰদ্ধা জনাই তেওঁলোকৰ বিদেহ আত্মাৰ সদ্গতি কামনাৰে মৌনতা অৱলম্বন কৰা হয়।

দিনৰ ১২ বজাত সদন পুনৰ মিলিত হোৱাৰ পাছতো সদনত অনুৰূপ হুলস্থূলীয়া পৰিৱেশ অব্যাহত থকাৰ পৰিপ্ৰেক্ষিতত অধ্যক্ষই সদনৰ কাম-কাজ দিনৰ ২ বজালৈ স্থগিত ৰাখিবলগীয়া হয়।

ৰাজ্যসভাতো আজি একে পৰিস্থিতিৰ সৃষ্টি হয়। পুৱাৰ ভাগত সদন মিলিত হোৱাৰ সময়ত ৰাজ্যসভাৰ নেতা জে পি নাড্ডাই বিৰোধী দলৰ নেতা মল্লিকাৰ্জুন খাৰ্গে আৰু জ্যেষ্ঠ কংগ্ৰেছ নেত্ৰী ছোনিয়া গান্ধীয়ে ক্ষমা বিচৰাৰ দাবী জনায়। তেওঁ কয়, যে এনেধৰণৰ মন্তব্যই কংগ্ৰেছ দলৰ চিন্তাধাৰা আৰু মানসিকতাক প্ৰতিফলিত কৰে।

বাইট (নাড্ডা)

বিষয়টো লৈ এন ডি এৰ সাংসদসকলে সৃষ্টি কৰা হুলস্থূলীয়া  পৰিস্থিতিৰ বাবে উপ-সভাপতি হৰিবংশে সদনৰ কাৰ্যক্ৰমণিকা দুপৰীয়া ১২ বজালৈ স্থগিত ঘোষণা কৰে। ১২ বজাৰ পাছত সদন পুনৰ মিলিত হোৱাত ৰাজ্যসভাৰ কাৰ্যক্ৰমণিকা সম্প্ৰতি চলি আছে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ত্ৰিদেশীয় ভ্ৰমণসূচীৰে আজি জৰ্ডান, ইথিওপিয়া আৰু ওমানলৈ ৰাওনা হৈছে। ভ্ৰমণৰ প্ৰথম পৰ্যায়ত শ্ৰীমোদীয়ে জৰ্ডানৰ ৰজা আব্দুলা দ্বিতীয় বিন অল হুছেইনৰ আমন্ত্ৰণমৰ্মে দেশখন ভ্ৰমণ কৰিব। প্ৰধানমন্ত্ৰীয়ে জৰ্ডানৰ ৰজাৰ সৈতে দুয়োখন দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কৰ পৰ্যালোচনা কৰাৰ লগতে অন্যান্য আঞ্চলিক বিষয়ত মত বিনিময় কৰিব। উল্লেখযোগ্য যে দুয়োখন দেশৰ মাজত কূটনৈতিক সম্পৰ্কই এইবাৰ ৭৫ বছৰ সম্পূৰ্ণ কৰিছে। ভাৰত আৰু জৰ্ডানৰ মাজত শক্তিশালী অৰ্থনৈতিক সম্পৰ্ক আছে আৰু ভাৰত হৈছে জৰ্ডানৰ তৃতীয় বৃহৎ বাণিজ্য অংশীদাৰ।

ত্ৰিদেশীয় ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত প্ৰধানমন্ত্ৰী মোদী কাইলৈ ইথিওপিয়ালৈ যাব। এয়া হ'ব তেওঁৰ প্ৰথমটো ইথিওপিয়া ভ্ৰমণ। শ্ৰীমোদীয়ে ইথিওপিয়াৰ প্ৰধানমন্ত্ৰী ড° এবি আহমেদ আলীৰ সৈতে প্ৰতিনিধি পৰ্যায়ৰ বৈঠকত মিলিত হ'ব। ভ্ৰমণৰ তৃতীয় তথা অন্তিম পৰ্যায়ত প্ৰধানমন্ত্ৰী মোদী ১৭ ডিচেম্বৰত ওমানলৈ যাব আৰু তাত তেওঁ ছুলতান হেইথ্ম ইবন তাৰিকক সাক্ষাৎ কৰিব। ভাৰত আৰু ওমানৰ মাজত কূটনৈতিক সম্পৰ্কই ৭০ বছৰ সম্পূৰ্ণ কৰাৰ পৰিপ্ৰেক্ষিতত প্ৰধানমন্ত্ৰী মোদীৰ এই ভ্ৰমণ গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হ'ব।

০০০০০০০০০

লৌহ পুৰুষ চৰ্দাৰ বল্লভ ভাই পেটেলৰ ৭৫ সংখ্যক মৃত্যু বাৰ্ষিকী উপলক্ষে আজি দেশৰ বিভিন্ন প্ৰান্তত শ্ৰদ্ধা নিবেদন কৰা হৈছে। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি লৌহপুৰুষগৰাকীৰ পূণ্য তিথি উপলক্ষে শ্ৰদ্ধা নিবেদন কৰি সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয়, যে পেটেলে দেশৰ ৰাজ্যসমূহৰ মাজত সংহতি স্থাপন আৰু প্ৰশাসনীয় আন্তঃগাঁথনি শক্তিশালী কৰি তোলাৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। তেওঁৰ নেতৃত্বৰ ভাষিক সাংস্কৃতিক আৰু আঞ্চলিক দিশৰ পৰা বৈচিত্ৰপূৰ্ণ এখন বৃহৎ ৰাষ্ট্ৰৰ জনতাক একতাৰ সূত্ৰৰে বান্ধিবলৈ সমৰ্থ হৈছিল বুলিও শ্ৰী ৰাধাকৃষ্ণণে মত প্ৰকাশ কৰে। পেটেলৰ অতুলনীয় অৱদান আৰু কৃতিত্বক বিশ্বৰ বহু কম সংখ্যক নেতাৰ লগতহে তুলনা কৰিব পাৰি বুলি তেওঁ উল্লেখ কৰে। লৌহ পুৰুষগৰাকীৰ চিন্তা আৰু আদৰ্শই 'এক ভাৰত শ্ৰেষ্ঠ ভাৰত'ৰ ধাৰণাৰে আগবাঢ়ি বিকশিত ভাৰত গঢ়িবলৈ সকলোকে অনুপ্ৰাণিত কৰে বুলি তেওঁ উল্লেখ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও চৰ্দাৰ বল্লভ ভাই পেটেলৰ ৭৫ সংখ্যক পূণ্য তিথি উপলক্ষে গভীৰ শ্ৰদ্ধা নিবেদন কৰিছে। এই উপলক্ষে দিয়া এটা বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে পেটেলে সমগ্ৰ দেশক একতাৰ ডোলেৰে বান্ধি ৰখাৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল। অখণ্ড আৰু শক্তিশালী ভাৰতবৰ্ষ নিৰ্মাণৰ ক্ষেত্ৰত পেটেলৰ অতুলনীয় অৱদানক কৃতজ্ঞ ৰাষ্ট্ৰই সদায় স্মৰণ কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে মত প্ৰকাশ কৰে।

০০০০০০০০০

ভাৰতীয় জনতা পাৰ্টিয়ে সমাগত অসম বিধানসভা নিৰ্বাচনৰ বাবে দলৰ ৰাষ্ট্ৰীয় উপ-সভাপতি বৈজয়ন্ত পাণ্ডাক নিৰ্বাচনী তত্বাৱধায়ক হিচাপে নিযুক্তি দিছে। দলে লগতে বিধায়ক আৰু জম্মু-কাশ্মীৰ বিধানসভাত বিৰোধী দলৰ নেতা সুনীল কুমাৰ শৰ্মা আৰু প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী দৰ্শনা বেন জৰ্ডোছক এই নিৰ্বাচনৰ সহ-তত্বাৱধায়ক হিচাপে নিযুক্তি দিছে।

০০০০০০০

যোৱানিশা দেহাৱসান ঘটা অসমৰ সংবাদ জগতৰ মহীৰুহ, দি আছাম ট্ৰিবিউন কাকতৰ সম্পাদক, ট্ৰিবিউন গোষ্ঠীৰ অধ্যক্ষ তথা বৰ্ষীয়ান সাংবাদিক প্ৰফুল্ল গোবিন্দ বৰুৱাৰ অন্ত্যেষ্টিক্ৰিয়া গুৱাহাটী নৱগ্ৰহ শ্মশানত কৰা হৈছে। তেওঁৰ নশ্বৰ দেহ আজি পুৱাৰ ভাগত কৰ্মস্থল দি আছাম ট্ৰিবিউন চৌহদত ৰখা হয়। ইয়াতেই গুণমুগ্ধসকলে তেওঁলৈ শেষ শ্ৰদ্ধা তৰ্পণ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বৰ্ষীয়ান সাংবাদিকগৰাকীৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে। এটা শোকবাৰ্তাত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে সংবাদজগতলৈ আগবঢ়োৱা অৱদানৰ বাবে বৰুৱা চিৰস্মৰণীয় হৈ ৰ'ব। শ্ৰী মোদীয়ে লগতে অসমৰ প্ৰগতি তথা ৰাজ্যখনৰ সংস্কৃতিক জনপ্ৰিয় কৰি তোলাৰ দিশত সাংবাদিকগৰাকীৰ একনিষ্ঠ সেৱাৰ কথা সোঁৱৰে। প্ৰধানমন্ত্ৰী বৰুৱাৰ পৰিয়াল আৰু গুণমুগ্ধসকলৰ প্ৰতি সমবেদনা জ্ঞাপন কৰে। উল্লেখযোগ্য যে ৯৩ বছৰ বয়সত উল্লেখযোগ্য

যে দীৰ্ঘকাল ধৰি দৈনিক অসম কাকতৰ সম্পাদক হিচাপেও দায়িত্ব পালন কৰা প্ৰফুল্ল গোবিন্দ বৰুৱাই ২০১৮ চনত পদ্মশ্ৰী সন্মান লাভ কৰিছিল। উত্তৰ-পূৰ্বাঞ্চলৰ সংবাদ জগতৰ অন্যতম বৰেণ্য ব্যক্তি বৰুৱাই সাংবাদিকতাৰ ক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ বাবে বহু সন্মান লাভ কৰিছিল। সাহিত্য, কলা আৰু সংস্কৃতিলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে অসম সাহিত্য সভাই তেওঁক সম্বৰ্ধনা জ্ঞাপন কৰিছিল।

মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা সমুজ্জ্বল ভট্টাচাৰ্য, অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈকে ধৰি বিভিন্নজনে তেওঁৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে।

০০০০০০০০০

প্ৰাক্তন আইন সচিব ৰাজ কুমাৰ গোৱেলে দেশৰ মুখ্য তথ্য আয়ুক্ত হিচাপে শপত গ্ৰহণ কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাষ্ট্ৰপতি ভৱনত আজি দিনৰ ১১ বজাত আয়োজিত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত শ্ৰী গোৱেলক শপত গ্ৰহণ কৰোৱায়।

০০০০০০০০০

অষ্ট্ৰেলিয়াৰ ছিডনীৰ বণ্ডি তীৰত ইহুদীসকলৰ উৎসৱ হানুকা উদযাপনৰ প্ৰথম দিনা কালি সন্ধিয়া সংঘটিত গুলীচালনাৰ ঘটনাত জড়িত বন্দুকধাৰী পিতা-পুত্ৰ দুজন পাকিস্তানৰ লাহোৰৰ বুলি নিউ ছাউথ ৱেল্‌ছ পুলিচে প্ৰকাশ কৰিছে। গুলীচালনাৰ সময়ত আৰক্ষীৰ হাতত ৫০ বছৰীয়া পিতৃৰ মৃত্যু হয় আৰু পুত্ৰজনক সংকটজনক অৱস্থাত আৰক্ষীয়ে জিম্মাত লয়। ঘটনাত মৃত্যু হোৱা লোকৰ সংখ্যা ১৬ লৈ বৃদ্ধি পাইছে। অষ্ট্ৰেলিয়াৰ আৰক্ষীয়ে এই গুলীচালনাক সন্ত্ৰাসবাদী আক্ৰমণ বুলি উল্লেখ কৰিছে। আৰক্ষীয়ে প্ৰকাশ কৰা মতে বন্দুকধাৰী দুজন পিতা-পুত্ৰ আছিল। এই আক্ৰমণত দুজন আৰক্ষী বিষয়াকে ধৰি ৪২ জন লোক আঘাতপ্ৰাপ্ত হয়। ঘটনাস্থলীৰ পৰা ছটা বন্দুক আৰু দুটা বিস্ফোৰক সামগ্ৰী উদ্ধাৰ কৰা হয়।

০০০০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে অষ্ট্ৰেলিয়াৰ বিদেশ মন্ত্ৰী পেনি ৱঙৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ কৰি সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাত গভীৰ শোক প্ৰকাশ কৰে।

০০০০০০০০০

ভাৰতীয় স্কোৱাচ খেলুৱৈৰ দলটোৱে ইতিহাস সৃষ্টি কৰি স্কোৱাচ বিশ্বকাপৰ খিতাপ দখল কৰিছে। চেন্নাইত অনুষ্ঠিত প্ৰতিযোগিতাৰ ফাইনেলত ঘৰুৱা দলটোৱে বিশ্বৰ শীৰ্ষস্থানীয় হংকঙক ৩-০ৰ ব্যৱধানত পৰাস্ত কৰি বিজয়ীৰ খিতাপ দখল কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই সাফল্যৰ বাবে ভাৰতীয় দলটোক অভিনন্দন জ্ঞাপন কৰিছে। তেওঁ কয় যে দলটোৰ জ্যোৎস্না চিনাপ্পা, অভয় সিং, ভি চেন্থিল কুমাৰ আৰু অনাহাত সিঙে দৃঢ়তা আৰু নিষ্ঠাৰে নিজৰ দক্ষতা প্ৰতিপন্ন কৰিছে। ইয়াৰ ফলত নতুন প্ৰজন্মৰ খেলুৱৈসকল এই ক্ৰীড়াৰ প্ৰতি আকৰ্ষিত হ'ব বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এই সাফল্যৰ বাবে ভাৰতীয় দলটোক অভিনন্দন জ্ঞাপন কৰি দিয়া বাৰ্তাত এই সফলতাৰে দলটোৱে দেশৰ বাবে গৌৰৱময় ইতিহাস ৰচনা কৰিলে বুলি উল্লেখ কৰে। তেওঁলোকৰ অদম্য উৎসাহে উদীয়মান খেলুৱৈসকলক উৎসাহিত কৰিব বুলি শ্ৰীশ্বাহে প্ৰকাশ কৰে।

০০০০০০০

সমাপ্ত